**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***

***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গাঁওসমূহক বিকাশ আৰু সুযোগৰ সক্ৰিয় কেন্দ্ৰলৈ ৰূপান্তৰ কৰি গ্ৰাম্য ভাৰতৰ সৰলীকৰণৰ দৃষ্টিভংগীত গুৰুত্ব আৰোপ কৰিছে।

২। ৰাজ্যসমূহত দেখা দিয়া সামগ্ৰী মূল্যৰ ব্যৱধান দূৰ কৰিবলৈ পৰিবহন আৰু মজুতকৰণ ব্যয় চৰকাৰে বহন কৰিব বুলি কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে ঘোষণা কৰিছে।

৩। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে শিশুসকলক পৰীক্ষাৰ চাপ নল'বলৈ আৰু জীৱনকলৈ উৎসাহী হ'বলৈ আহ্বান জনাইছে।

৪। জ্যেষ্ঠ বিজ্ঞানী আৰু ভাৰতৰ পাৰমানৱিক কাৰ্যসূচীৰ অন্যতম স্থপতি ড০ ৰাজাগোপাল চিদাম্বৰমৰ আজি মুম্বাইত দেহাৱসান ঘটে।

*আৰু*

৫। ভাৰতে ছিডনী টেষ্টৰ আজি দ্বিতীয় দিনা ৬ উইকেটৰ বিনিময়ত দ্বিতীয় ইনিংছত ১৪১ ৰান সংগ্ৰহ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গাঁওসমূহক বিকাশ আৰু সুযোগৰ সক্ৰিয় কেন্দ্ৰলৈ ৰূপান্তৰ কৰি গ্ৰাম্য ভাৰতৰ সৰলীকৰণৰ ক্ষেত্ৰত চৰকাৰৰ দৃষ্টিভংগীৰ বিষয়ে গুৰুত্ব আৰোপ কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে চৰকাৰে ২০১৪ চনৰে পৰা গাঁৱৰ জনসাধাৰণক মৰ্যাদাপূৰ্ণ জীৱন প্ৰদান কৰি অবিৰতভাৱে গ্ৰাম্য ভাৰতৰ বাবে কাম কৰি আহিছে। তেওঁ লগতে কয়, যে চৰকাৰে প্ৰতিখন গাঁৱত বুনিয়াদী সা-সুবিধা সুনিশ্চিত কৰাৰ উদ্দেশ্যি বিশেষ অভিযান আৰম্ভ কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰে পৰা ৯ জানুৱাৰীলৈ আয়োজিত গ্ৰামীন ভাৰত মহোৎসৱ মুকলি কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। এই মহোৎসৱৰ মূল বিষয়বস্তু হৈছে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ বাবে আত্মনিৰ্ভৰ গ্ৰামীন ভাৰতৰ নিৰ্মাণ। শ্ৰী মোদীয়ে কয়, যে তেওঁৰ চৰকাৰৰ অভিপ্ৰায়, নীতি আৰু সিদ্ধান্তই গ্ৰামীন ভাৰতক নতুন শক্তিৰে জগাই তুলিছে। তেওঁ কয়, যে কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা ২০২৫-২৬ বৰ্ষলৈ অব্যাহত ৰখাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। গ্ৰামীন সমাজসমূহক আত্মনিৰ্ভৰ কৰি তোলাৰ বাবে প্ৰধানমন্ত্ৰী কিষান সন্মান নীধিৰ অধীনত খেতিয়কসকলক বৰ্তমানলৈকে ৩ লাখ কোটি টকাৰ বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে যোৱা দশকত কৃষি ঋণৰ বাবে আৱন্তিত ধনৰাশি চাৰে তিনি গুণৰো অধিক বৃদ্ধি কৰা হৈছে আৰু বিভিন্ন শস্যৰ ন্যূনতম সমৰ্থন মূল্য অবিৰত বৃদ্ধি কৰা হৈছে। গ্ৰামাঞ্চলৰ উপকাৰ আৰু উন্নয়নে স্বচ্ছ ভাৰত অভিযান, প্ৰধানমন্ত্ৰী আবাস যোজনা, জলজীৱন মিছন আদিকে ধৰি চৰকাৰৰ সকলো উদ্যমৰ মূল উদ্দেশ্য বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। তেওঁ কয়, যে বৰ্তমান লাখ লাখ গাঁৱৰ পৰিয়ালে পৰিষ্কাৰ খোৱাপানী লাভ কৰিছে। তেওঁ লগতে কয়, যে ডেৰ লাখৰো অধিক আয়ুষ্মাণ আৰোগ্য মন্দিৰৰ মাধ্যমেৰে জনসাধাৰণে উন্নত স্বাস্থ্য

সেৰা লাভ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয়, যে জনজাতীয় অধ্যুষিত এলেকাসমূহৰ উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী জনমন যোজনাৰ প্ৰৱৰ্তনৰ ফলত দশক দশক উন্নয়নৰ পৰা বঞ্চিত হৈ থকা অঞ্চলসমূহৰো সম অধিকাৰ সুনিশ্চিত হৈছে। বিগত ১০ বছৰত বৰ্তমান চৰকাৰে পূৰ্বৰ চৰকাৰসমূহৰ ভালেমান ভুলৰ শুধৰণি কৰিছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ কয়, যে চৰকাৰ গ্ৰাম্য উন্নয়নৰ জৰিয়তে ৰাষ্ট্ৰীয় উন্নয়নৰ মন্ত্ৰৰে অগ্ৰসৰ হৈছে। চৰকাৰৰ এনে প্ৰচেষ্টাৰ বাবেই বিগত ১০ বছৰত ২৫ কোটি লোক দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ এই প্ৰসংগত ভাৰতীয় ষ্টেট বেংকৰ শেহতীয়া অধ্যয়নৰ কথা উল্লেখ কৰে, য'ত ২০২৪ চনত দেশৰ গ্ৰামাঞ্চলৰ দৰিদ্ৰতাৰ হাৰ ২০১২ চনৰ ২৬ শতাংশৰ পৰা ৫ শতাংশৰো কম হোৱা বুলি কোৱা হৈছে। তেওঁ কয় যে, একাংশ লোকে দশক দশক ধৰি দৰিদ্ৰতা দূৰিকৰণ ধ্বনি দি অহাৰ বিপৰীতে দেশত এতিয়া প্ৰকৃত অৰ্থত দৰিতাৰ হাৰ হ্ৰাস পাইছে। প্ৰধানমন্ত্ৰীয়ে লগতে মহোৎসৱত ভাগ লোৱা শিল্পী, কলাকুশলীসকলৰ সৈতে মত বিনিময় কৰে। অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দুখীয়া জনসাধাৰণ, খেতিয়ক, মহিলা আৰু যুৱ প্ৰজন্মৰ কল্যাণ আৰু আৰ্থিক সৱলীকৰণৰ বাবে ভালেমান আঁচনি ৰূপায়ণ কৰা হৈছে। অনুষ্ঠানত কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধৰীও উপস্থিত থাকে।

ooooo

দেশৰ উৎপাদনকাৰী আৰু উপভোক্তা ৰাজ্যসমূহত দেখা দিয়া সামগ্ৰীৰ মূল্যৰ ব্যৱধান দূৰ কৰিবলৈ যাতায়াত আৰু মজুতকৰণৰ ব্যয় চৰকাৰে বহন কৰিব বুলি কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে ঘোষণা কৰিছে। আজি নতুন দিল্লীত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ কৃষি মন্ত্ৰীসকলৰ সৈতে অনুষ্ঠিত পৰ্যালোচনা বৈঠকত মন্ত্ৰীগৰাকীয়ে কয় যে এইবাৰ কৃষি খণ্ড আৰু সংশ্লিষ্ট খণ্ডসমূহৰ বিকাশৰ হাৰ ৩ দশমিক ৫ শতাংশৰ পৰা ৪ শতাংশৰ ভিতৰত হোৱাৰ সম্ভাৱনা আছে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ অধীনত প্ৰায় ৩ লাখ ৪৬ হাজাৰ কোটি টকা ১১ কোটি কৃষকৰ মাজত ১৮ টা কিস্তিত বিতৰণ কৰা হৈছে। শ্ৰী চৌহানে কয় যে কিষাণ ক্ৰেডিট ব্যৱস্থাৰে কম সুদৰ হাৰত ঋণৰ ব্যৱস্থাকে ধৰি ভালেমান ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কৃষি খণ্ডত নিৰন্তৰ অগ্ৰগতি অব্যাহত আছে আৰু ইয়াৰ বাবে মন্ত্ৰালয়ে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলিও তেওঁ কয়। ৰাসায়নিক সাৰৰ অনিয়ন্ত্ৰিত ব্যৱহাৰৰ ফলত হোৱা ভূমিৰ ক্ষতিৰ পৰিপ্ৰেক্ষিতত প্ৰাকৃতিক কৃষিৰ প্ৰসাৰৰ বাবে আন এটা অভিযান ৰূপায়ন কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

ooooo

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে শিশুসকলক পৰীক্ষাৰ হেঁচা নল'বলৈ আৰু জীৱনকলৈ উৎসাহী হ'বলৈ আহ্বান জনাইছে। নতুন দিল্লী নগৰ পালিকা পৰিষদে আয়োজন কৰা EXAM WARRIORS আৰ্ট উৎসৱত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে আজি এইদৰে আহ্বান জনায়। শ্ৰী বৈষ্ণৱে

কয়, যে অভিনেতা আৰু খেলুৱৈ সকলে কামৰ প্ৰতি থকা নিষ্ঠা আৰু উৎসাহৰ বাবে ভাল প্ৰদৰ্শন আগবঢ়াবলৈ সমৰ্থ হয়। বিভিন্ন বিদ্যালয়ত প্ৰায় ৫ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে এই উৎসৱত ভাগ লয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা ভিডিঅ' বাৰ্তা যোগে কয়, যে শিশুসকলৰ মাজত সাধাৰণতে পৰীক্ষাৰ পৰা নহয় বৰং প্ৰত্যাশা আৰু আকাংক্ষাৰ পৰাহে মানসিক চাপৰ সৃষ্টি হয়। তেওঁ শিক্ষাৰ্থীসকলক আগুৱাই যোৱাৰ অপাৰ সম্ভাৱনা আৰু সুযোগ আছে বুলিও কয়। সাংসদ বান্সুৰি স্বৰাজ, নতুন দিল্লী পৌৰ নিগম পালিকাৰ অধ্যক্ষ কেশৱ চন্দ্ৰা আৰু উপাধ্যক্ষ কুলজিৎ সিং অনুষ্ঠানত উপস্থিত থাকে।

ooooo

জ্যেষ্ঠ বিজ্ঞানী আৰু ভাৰতৰ পাৰমানৱিক কাৰ্যসূচীৰ অন্যতম স্থপতি ড০ ৰাজাগোপাল চিদাম্বৰমৰ আজি পুৱা মুম্বাইৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। ৮৮ বছৰীয়া বিজ্ঞানীগৰাকী ভালেমান দিন ধৰি অসুস্থ হৈ আছিল। ড০ চিদাম্বৰমে ভাৰতৰ পাৰমাণুৱিক অস্ত্ৰ প্ৰকল্প গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ১৯৭৪ চনত ভাৰতে সম্পন্ন কৰা প্ৰথম পাৰমানৱিক পৰীক্ষা আৰু ভাৰতক বিশ্বৰ ভিতৰতে অন্যতম পাৰমানৱিক শক্তি হিচাপে চিহ্নিত কৰা ১৯৯৮ চনৰ পোখৰানৰ দ্বিতীয়টো পৰীক্ষাৰ সময়তো তেওঁৰ উল্লেখনীয় ভূমিকা আছিল। ড০ চিদাম্বৰমে ভাৰত চৰকাৰৰ প্ৰধান বৈজ্ঞানিক উপদেষ্টা, ভাবা আনৱিক গৱেষণা কেন্দ্ৰৰ সঞ্চালক আৰু আনৱিক শক্তি আয়োগৰ অধ্যক্ষ পদকে ধৰি বিজ্ঞান ক্ষেত্ৰ আৰু কৌশলগত  বিকাশ ক্ষেত্ৰৰ কেইবাটাও গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত আছিল। ১৯৭৫ চনত তেওঁক পদ্মশ্ৰী আৰু ১৯৯৯ চনত পদ্ম বিভূষণ সন্মানেৰে সন্মানিত কৰা হৈছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জ্যেষ্ঠ বিজ্ঞানীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে কৈছে, যে ড০ ৰাজাগোপাল ভাৰতৰ পাৰমানৱিক কাৰ্যসূচীৰ এগৰাকী অন্যতম হোতা আছিল। তেওঁ লগতে দেশৰ বৈজ্ঞানিক আৰু কৌশলগত সামৰ্থ বৃদ্ধিৰ ক্ষেত্ৰত তেওঁৰ অৱদানৰ শলাগ লয়।

ooooo

নতুন দিল্লীত ভুল পানীৰ মাচুলৰ জাননী পোৱা লোকসকলে মাচুল আদায় নিদি অপেক্ষা কৰিবলৈ আপৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালে আহ্বান জনাইছে। তেওঁ মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত  দিল্লীৰ ১২ লাখৰো অধিক পৰিয়ালৰ পানীৰ মাচুল শূন্য আছিল আজি নতুন দিল্লীত এখন সংবাদমেলত শ্ৰী কেজৰিৱালে দৃঢ়তাৰে প্ৰকাশ কৰে।

ooooo

ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে চিডনীত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলৰ আজি দ্বিতীয় দিনা ৬ উইকেটৰ বিনিময়ত দ্বিতীয় ইনিংছত ১৪১ ৰান সংগ্ৰহ কৰে। ভাৰত অষ্ট্ৰেলিয়াতকৈ সামগ্ৰিকভাৱে ১৪৫ ৰানত আগবাঢ়ি আছে। দিনান্তত ৰবীন্দ্ৰ জাদেজাই ৮ আৰু ৱাশ্বিংটন সুন্দৰে ৬ ৰান কৰি খেলি আছিল। ইয়াৰ পূৰ্বে ঋষভ পণ্টে ৩৩ টা বলত ৬১ ৰান কৰে। ইয়াৰ লগে লগে পণ্ট টেষ্ট ক্ৰিকেটত দ্বিতীয় দ্ৰুত অৰ্ধশতক অৰ্জন কৰা ভাৰতীয় খেলুৱৈ ৰূপে পৰিগণিত হয়। তেওঁ লগতে অষ্ট্ৰেলিয়াৰ মাটিত দ্ৰুত অৰ্ধশতক অৰ্জন কৰা ভ্ৰমণৰত খেলুৱৈৰ কৃতিত্বও অৰ্জন কৰে। অষ্ট্ৰেলিয়াৰ হৈ স্কট বোলেন্দে ৪টা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই এক উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ৯ ৰানৰ পৰা  খেল আৰম্ভ কৰি ১৮১ ৰানতে প্ৰথম ইনিংশ সামৰে। ভাৰতৰ হৈ মহম্মদ

ছিৰাজ আৰু প্ৰসিদ্ধ কৃষ্ণাই তিনিটাকৈ উইকেট লাভ কৰে। যশপ্ৰীত বুমৰা আৰু নীতিশ কুমাৰ ৰেড্ডীয়ে দুটাকৈ উইকেট দখল কৰে।

ooooo

৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱৰ শিখা তেজস্বীনী আজি উত্তৰাখণ্ডৰ বাগেশ্বৰত উপস্থিত হয়। জিলা ক্ৰীড়া বিষয়া আৰু খেল অনুৰাগীসকলে এই শিখাক বিপুলভাৱে আদৰণি জনায়। উত্তৰাখণ্ডত এই মাহৰ শেষ ভাগলৈ প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠিত হ'ব। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিয়ে যোৱা ২৬ ডিচেম্বৰত হলদ্বানীৰ পৰা পতাকা জোকাৰি এই শিখাৰ যাত্ৰা আৰম্ভ কৰিছে। এই শিখা ১৩ খন জিলাৰ ৯৯ টা স্থান হৈ ২৫ জানুৱাৰীত ডেৰাডুনত উপস্থিত হ'ব।

ooooo

সমাপ্ত